জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৪৭/২০২২

**লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তীৰ বছৰজোৰা উদ্‌যাপনৰ সামৰণি**

# নতুন দিল্লীৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

## মহান সেনাপতিগৰাকীৰ গাঁথা দূৰদূৰণিলৈ বিয়পি পৰাটো নিশ্চিত কৰিবলৈ দিল্লীত লাচিত দিৱস উদযাপন ঃ প্ৰধানমন্ত্ৰী

### লাচিতৰ 'দেশ প্ৰথম' মূলমন্ত্ৰই আমাক সকলো সময়তে অনুপ্ৰাণিত কৰে ঃ প্ৰধানমন্ত্ৰী

## সমগ্ৰ ভাৰতবৰ্ষত লাচিত বৰফুকনৰ নাম সৰ্বজনবিদিত কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ প্ৰচেষ্টা প্ৰশংসাৰ যোগ্য ঃ প্ৰধানমন্ত্ৰী

### ৰাজ্য চৰকাৰৰ প্ৰচেষ্টাক অবিৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীলৈ কৃতজ্ঞতা জ্ঞাপন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

### ইতিহাসৰ আলোচনাসমূহত লাচিতক যথোচিত স্থান দিয়া হ'ব বুলি আশাবাদী ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

### অসমৰ জনসাধাৰণৰ আন্তৰিক সহযোগিতাৰ বাবে কৃতজ্ঞতা ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

**দিছপুৰ, ২৫ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ বিজ্ঞান ভৱনত অসম চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা সপ্তদশ শতিকাৰ আহোম সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্মজয়ন্তীৰ বছৰজোৰা উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত আজি মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

ৰাষ্ট্ৰীয় ৰাজধানীত এই তিনিদিনীয়া জন্মজয়ন্তী উদ্‌যাপন কাৰ্যসূচীৰ সফল পৰিচালনাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীয়ে ভাষণত লাচিত বৰফুকনৰ সাহস, বীৰত্ব আৰু দেশপ্ৰেমৰ গাঁথা কেৱল অসমৰ সীমাতে সীমাবদ্ধ নাথাকি সমগ্ৰ ৰাষ্ট্ৰৰ চুকে-কোণে বিয়পি পৰাত এই উদ্যোগে নিৰ্ণায়ক ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতৰ ইতিহাসক পৰাজয় আৰু আত্মসমৰ্পণৰ ইতিহাস হিচাপে অংকন কৰাৰ বাবে কিছুমান বিশেষ পক্ষৰ পৰা সচেতনভাৱে বছৰ বছৰ ধৰি নিৰন্তৰ প্ৰচেষ্টা অব্যাহত

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

আছে। লাচিত বৰফুকনৰ দৰে উপেক্ষিত মহানায়কসকলৰ জীৱন গাঁথাৰ বৰ্ণাঢ্য উদ্‌যাপনে ইতিহাসৰ বিকৃত বাখ্যাৰ ফলত ভাৰতীয় নাগৰিকৰ স্বাভিমানত যি আঘাত কৰিছে তাৰ সংশোধন ঘটোৱাত সফলকাম হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে দৃঢ়তাৰে কয়। ভাৰতীয়সকলৰ স্বাভিমান দমন কৰাটো ঔপনিবেশিক ব্ৰিটিছ শাসনৰ উদ্দেশ্য আছিল আৰু ইতিহাসৰ বিকৃতি ব্ৰিটিছসকলৰ এই উদ্দেশ্যক ইয়াক আগবঢ়াই নিয়াৰ অন্যতম উপায় আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইতিহাসক প্ৰকৃত অৰ্থত উপস্থাপন কৰাটো নিশ্চিত কৰিবলৈ এতিয়া সকলোৰে একত্ৰিত হ'ব লাগিব।

ৰাষ্ট্ৰৰ সুৰক্ষা আৰু সন্মান অক্ষুণ্ণ ৰখাৰ দিশত নিজৰ জীৱন উৎসৰ্গা কৰিবলৈ সকলোকে অনুপ্ৰাণিত কৰি অহা লাচিত বৰফুকনক তেওঁৰ যুগৰ সৰ্বশ্ৰেষ্ঠ দেশপ্ৰেমিক বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে লাচিতৰ মূল মন্ত্ৰ আছিল 'দেশ প্ৰথম' আৰু এই একে মূল মন্ত্ৰৰে নব্য ভাৰত (নয়া ভাৰত) পৰিচালিত হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্য চৰকাৰে অসমৰ জনসাধাৰণৰ প্ৰতি অবিৰত আৰু নিৰন্তৰ সেৱা প্ৰদানৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়াই অহাৰ বাবে তেওঁলৈ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে ছত্ৰপতি শিৱাজীৰ দৰে সমগ্ৰ দেশতে লাচিত বৰফুকনক এক সৰ্বজনবিদিত নামলৈ ৰূপান্তৰিত কৰাত অত্যন্ত সহায়ক হ'ব। বহু সংখ্যক লোক মহান সেনাপতি গৰাকীৰ বীৰত্বপূৰ্ণ গাঁথাৰ সৈতে পৰিচিত হোৱাৰ পৰিপ্ৰেক্ষিতত অনাগত দিনত ইতিহাসৰ আলোচনাসমূহত লাচিতক তেওঁৰ উচিত স্থান প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে লাচিত অবিহনে কেৱল অসমৰে নহয়, সমগ্ৰ দক্ষিণ-পূৱ এছিয়াৰ বৰ্তমানৰ ভূ-ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিচয় আজিৰ তুলনাত অন্যৰূপ ল'লেহেঁতেন। ৰাষ্ট্ৰীয় ৰাজধানীত মধ্যযুগৰ এই মহান যোদ্ধাগৰাকীৰ ৪০০ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন বৰ্তমানৰ প্ৰজন্মৰ বুদ্ধিজীৱী আৰু ইতিহাসবিদসকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বছৰজোৰা উদ্‌যাপনৰ আজিৰ এই সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে অকুণ্ঠ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে অসমৰ ৰাইজলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে "লাচিত বৰফুকন— আহোম হিৰ' হু হলটেড দ্যা মোগলছ্" নামৰ এখন গ্ৰন্থও আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

অনুষ্ঠানত অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ আদি দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ তথা ৰাজ্যসভাৰ সাংসদ ৰঞ্জন গগৈ আৰু লোকসভাৰ সাংসদ তপন গগৈও উপস্থিত থাকে।

**আয়ন /হেঃ শঃ**
**২৫/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in